প্ৰবেশন পদ্ধতি (Procedure for Recruitment) ঃ

আধুনিক ৰাষ্ট্ৰত সেৱাসমূহ খালী পদ পূৰণৰ বাবে গুণ ব্যৱস্থা (Merit System) বা গুণ নীতি (Merit Principle)-ৰ ওপৰত নিৰ্ভৰ কৰা হয়। গুণ নীতি বুলিলে প্ৰতিযোগিতামূলক পৰীক্ষাত পৰীক্ষাৰ্থীৰ পাৰদৰ্শিতাৰ তুলনামূলক মূল্যায়ন কৰি প্ৰবেশনৰ বাবে প্ৰাৰ্থীৰ স্থান নিৰ্ণয় কৰা পদ্ধতিক বুজায়। প্ৰত্যক্ষ প্ৰবেশন মুক্ত প্ৰতিযোগিতা (Open Competition)-ৰ ওপৰত প্ৰতিষ্ঠিত। গুণ নীতিৰ প্ৰধান উপাদানকেইটা হ'ল—

(১) **উপযুক্ত প্ৰচাৰ ঃ** অৰ্হতাসম্পন্ন আৰু ইচ্ছুক সকলো প্ৰাৰ্থীয়ে যাতে প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিব পাৰে তাৰ বাবে বাতৰি কাকত, টেলিভিশ্যন, ৰেডিঅ' আদি প্ৰচাৰ মাধ্যমৰ যোগেদি খালী পদৰ বিজ্ঞাপন দিয়া।

(২) **প্ৰাৰ্থিত্ব প্ৰদানৰ সুযোগ ঃ** সকলো ইচ্ছুক ব্যক্তিয়ে প্ৰাৰ্থী হিচাপে প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিবৰ বাবে সুযোগ পোৱা উচিত।

(৩) **বাস্তৱমুখী মানদণ্ড ঃ** প্ৰাৰ্থীৰ অৰ্হতাৰ মানদণ্ড আৰু খালী পদত সন্নিৱিষ্ট কৰা কৰ্তব্য আৰু দায়িত্বৰ মানদণ্ডৰ মাজত সামঞ্জস্য থাকিব লাগিব।

(৪) **ভেদাভেদহীনতা ঃ** প্ৰাৰ্থী বাছনি কৰোঁতে কেৱল অৰ্হতা আৰু উপযুক্ততাৰ ওপৰতহে নিৰ্ভৰ কৰিব লাগে।

(৫) **সামৰ্থ্যৰ ভিত্তিত প্ৰাৰ্থীৰ স্থান নিৰ্ণয় ঃ** পৰীক্ষাত দেখুওৱা পাৰদৰ্শিতা আৰু অৰ্হতাৰ ভিত্তিত প্ৰাৰ্থীৰ স্থান নিৰ্ণয় হোৱা উচিত।

(৬) **পৰীক্ষাৰ ফলাফল ঘোষণা ঃ** পৰীক্ষাৰ ফলাফল ঘোষণা কৰি সকলো পৰীক্ষাৰ্থীকে নিজৰ পাৰদৰ্শিতা সম্বন্ধে অৱগত কৰিব লাগে।

গুণ পদ্ধতিক এক গণতান্ত্ৰিক ব্যৱস্থা বুলি ক'ব পাৰি আৰু এই পদ্ধতিৰ দ্বাৰাহে প্ৰশাসনৰ দক্ষতা বজাই ৰাখিব পৰা যায়। আধুনিক ৰাষ্ট্ৰত প্ৰবেশন ব্যৱস্থা গুণ নীতিৰ ওপৰত প্ৰতিষ্ঠিত হোৱা পৰিলক্ষিত হয়।



Scanned by CamScanner

ভাৰতবৰ্ষত ১৮৫৪ চনত পোন-প্ৰথম গুণ নীতিৰ প্ৰৱৰ্তন কৰা হয় লৰ্ড মেকলে (Lord Macaulay)-ৰ পৰামৰ্শৰ ভিত্তিত আৰু ইংলেণ্ডত ১৮৫৫ চনত বৃটিছ অসামৰিক সেৱা আয়োগ গঠন কৰি গুণ নীতিৰ প্ৰচলন কৰা হয়। আমেৰিকা যুক্তৰাষ্ট্ৰত ১৮৮৩ চনত পেণ্ডেলোন আইন (Pendellon Act)-ৰ সহায়ত গুণ নীতিৰ প্ৰৱৰ্তন কৰা হয়। সেই চনত আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি গেৰফিল্ড (Garfield) একোটা পদৰ বাবে যোগ্যতা থকা বুলি দাবী উত্থাপন কৰা দুজন প্ৰাৰ্থীক সন্তুষ্ট কৰিব নোৱৰাত এজন প্ৰাৰ্থীক বঞ্চিত কৰিব লগীয়া হৈছিল আৰু এই বঞ্চিত হোৱা প্ৰাৰ্থীজনে ৰাষ্ট্ৰপতিক হত্যা কৰিছিল। আমেৰিকাত এই ঘটনাটোৰ পিছতেই গুণ নীতিৰ প্ৰচলন কৰা হয়। গুণ নীতি মুক্ত প্ৰতিযোগিতাৰ ওপৰত প্ৰতিষ্ঠিত অৰ্থাৎ এই প্ৰতিযোগিতাই সকলো ইচ্ছুক প্ৰাৰ্থীকেই সামৰি লয়। কিন্তু বাস্তৱ ক্ষেত্ৰত দেখা যায় যে এজন প্ৰাৰ্থীৰ ইচ্ছা থকা সত্ত্বেও তলত দিয়া অৰ্হতাসমূহ থাকিব লাগিব—

লোকসেৱাৰ বাবে প্ৰয়োজনীয় অৰ্হতাসমূহ প্ৰধানকৈ দুটা ভাগত ভাগ কৰিব পাৰি, যেনে—সাধাৰণ অৰ্হতা (General Qualification) আৰু বিশেষ অৰ্হতা (Special Qualification)।

## সাধাৰণ অৰ্হতা (General Qualification) ঃ

**(১) নাগৰিকত্ব ঃ** চৰকাৰী প্ৰশাসনত নিযুক্তি পাবৰ বাবে প্ৰাৰ্থীৰ নাগৰিকত্ব অৰ্হতাৰ ওপৰত সকলো ৰাষ্ট্ৰতে গুৰুত্ব আৰোপ কৰা হয়, অৰ্থাৎ কোনো এখন দেশৰ প্ৰশাসনিক পদত নিযুক্ত হ'বলৈ যিকোনো প্ৰাৰ্থী সেই দেশৰ নাগৰিক হোৱা আৱশ্যক। এই অৰ্হতাৰ ওপৰত গুৰুত্ব আৰোপ কৰাৰ মূল উদ্দেশ্য হ'ল যে কেৱল নাগৰিকৰহে নিজৰ দেশ আৰু সংবিধানৰ প্ৰতি আনুগত্যশীলতা থাকে। দেশৰ প্ৰতি আনুগত্যশীল ব্যক্তিয়েহে ৰাষ্ট্ৰ প্ৰশাসনৰ গোপনীয়তা ৰক্ষা কৰিব পাৰে। অৱশ্যে বিশেষ পৰিস্থিতিত বিদেশী নাগৰিকক নিযুক্তি দিয়াৰ পথ মুকলি কৰি ৰখা হয়।

**(২) স্থায়ী বাসস্থান ঃ** কোনো এখন ঠাইত নিযুক্তি পাবলৈ প্ৰাৰ্থীজন সেই ঠাইৰ স্থায়ী বাসিন্দা হ'ব লাগিব। উদাহৰণ স্বৰূপে অসমৰ প্ৰশাসনত নিযুক্তি পাবলৈ হ'লে এজন প্ৰাৰ্থী অসমৰ বাসিন্দা হোৱা উচিত। অৱশ্যে এই নীতিৰ কোনো কোনো ক্ষেত্ৰত ব্যতিক্ৰম হ'ব পাৰে। আমেৰিকাত এই স্থায়ী বাসিন্দা অৰ্হতাৰ প্ৰথম প্ৰৱৰ্তন কৰা হৈছিল যদিও লাহে লাহে অন্যান্য দেশসমূহেও এনে অৰ্হতাৰ ওপৰত গুৰুত্ব দিয়া দেখা যায়। ভাৰতবৰ্ষতো স্থায়ী বাসিন্দা অৰ্হতাৰ ভিত্তিত প্ৰাৰ্থীৰ যোগ্যতা নিৰ্ধাৰণ কৰা হয়। এই অৰ্হতাক গুণ নীতিৰ পৰিপন্থী বুলি সমালোচনা কৰা দেখা যায়। কিয়নো কোনো এখন ৰাজ্য বা এলেকাত যোগ্যতাসম্পন্ন প্ৰাৰ্থীৰ অভাৱ হ'লে অন্য ঠাইৰ ব্যক্তিক নিযুক্তি দিয়াৰ সুবিধা নথকাত প্ৰশাসনিক দক্ষতা ৰক্ষা কৰা কঠিন হৈ পৰে। অঞ্চল ভিত্তিত সমস্যা সমাধান কৰা, বাসিন্দাসকলৰ সহযোগ আদায়

Scanned by CamScanner

কৰা আদি নীতিৰ বাবে স্থায়ী বাসিন্দা অৰ্হতা মানি লোৱা হয়।

(৩) বয়স ঃ চৰকাৰী প্ৰশাসনত নিযুক্তিৰ বাবে প্ৰাৰ্থীসকলৰ বয়সৰ সীমা বান্ধি দিয়া হৈছে। বৃটেইন, ভাৰতবৰ্ষ আদি দেশত প্ৰাৰ্থীৰ বয়সৰ নিম্নতম সীমা ২০ বছৰত নিৰ্দিষ্ট কৰা হৈছে। আমেৰিকা যুক্তৰাষ্ট্ৰত ১৮ বছৰৰ পৰাই এজন ব্যক্তিৰ কৰ্মক্ষমতা আৰম্ভ হয় আৰু ৬৫ বছৰ বয়সলৈকে অটুট থাকে বুলি ধৰা হয়। ভাৰতবৰ্ষত কোনো কোনো সেৱাত ৬৫ বছৰ বয়সলৈকে প্ৰশাসনৰ পদত অধিষ্ঠিত হৈ থাকিব পাৰে। মুঠতে দেখা যায় ভাৰতবৰ্ষ, বৃটেইন আদি দেশত কম বয়সত প্ৰাৰ্থী নিযুক্তিৰ ওপৰত গুৰুত্ব দিয়া হয়, যাতে সময়ত তেওঁলোকে জ্ঞান আৰু অভিজ্ঞতা আহৰণ কৰি পদোন্নতিৰ দ্বাৰা উচ্চ পদলৈ গতি কৰাৰ সুযোগ পায়। তাৰোপৰি উচ্চ প্ৰশাসনীয় সেৱাৰ কোনো এটি পদত নিযুক্তি দিয়াৰ বাবে প্ৰাৰ্থীসকলৰ অভিজ্ঞতা আৰু অধিক বৌদ্ধিক ক্ষমতাসম্পন্ন ব্যক্তিৰহে আৱশ্যক হয়।

এইখিনিতে উল্লেখ কৰিব পাৰি যে প্ৰশাসনত অভিজ্ঞ ব্যক্তি আৰু কম বয়সৰ নতুন পুৰুষ/মহিলাৰ সমানেই প্ৰয়োজন দেখা যায়। অভিজ্ঞ লোকক বঞ্চিত কৰি কেৱল কম বয়সীয়া অনভিজ্ঞ লোকৰ নিযুক্তিয়ে প্ৰশাসনিক দক্ষতা বাধাগ্ৰস্ত কৰি তুলিব পাৰে। ঠিক সেইদৰে কেৱল অভিজ্ঞ লোকৰ নিযুক্তিয়ে পৰিৱৰ্তনশীল সমাজত প্ৰশাসনিক স্থবিৰতাৰ সৃষ্টি কৰিব পাৰে।

(৪) লিঙ্গ ঃ প্ৰশাসনিক সেৱাৰ পদত নিযুক্তিৰ বাবে কেৱল পুৰুষসকলকহে প্ৰথমতে যোগ্য বুলি বিবেচনা কৰা হৈছিল। উচ্চ পৰ্যায়ৰ পদ আৰু কিছুমান বিশেষ পদৰ বাবে মহিলাসকল বঞ্চিত হৈ আছিল। কিন্তু বৰ্তমান সকলো আধুনিক ৰাষ্ট্ৰই সাম্যনীতিৰ ভিত্তিত পুৰুষৰ লগতে মহিলাকো নিযুক্তিৰ বাবে বিবেচনা কৰা দেখা যায়। অৱশ্যে দেখা যায় কোনো কোনো সেৱাত মহিলাৰ নিযুক্তি সীমিত হোৱা পৰিলক্ষিত হয়। যদিও বিধিগতভাৱে তেনে ধৰণৰ কোনো বাধা নাই। ভাৰতৰ সংবিধানৰ ১৬ নং অনুচ্ছেদৰ আধাৰত ভাৰতৰ সকলো নাগৰিকক দেশৰ যিকোনো পদত নিযুক্তিৰ বাবে পুৰুষ-মহিলা নিৰ্বিশেষে সমান সুবিধা আগবঢ়োৱা হৈছে। আজিকালি সৰ্ব ভাৰতীয় সেৱা, আৰক্ষী সেৱা আদিত মহিলাসকলক নিযুক্ত দিয়া দেখা যায়। অৱশ্যে তেওঁলোকৰ সংখ্যা যথেষ্ট সীমিত হৈ আছে।

## বিশেষ অৰ্হতাসমূহ (Special Qualification) ঃ

(১) শিক্ষাগত অৰ্হতা ঃ অসামৰিক সেৱাত নিযুক্তিৰ বাবে প্ৰাৰ্থীসকলৰ শৈক্ষিক অৰ্হতাৰ ওপৰত গুৰুত্ব দিয়া হয়। এই ক্ষেত্ৰত ভাৰতবৰ্ষ আৰু বৃটেইনত একে ধৰণৰ নীতি অৱলম্বন কৰা দেখা যায়। প্ৰশাসনৰ উচ্চ পদ আৰু কাৰ্যবাহী সেৱাত নিযুক্তিৰ বাবে বিশ্ববিদ্যালয়ৰ স্নাতক ডিগ্ৰীক নিম্নতম অৰ্হতা হিচাপে গণ্য কৰা হয়। কেৰাণী বা সেই পৰ্যায়ৰ পদৰ বাবে উচ্চ বা উচ্চতৰ মাধ্যমিক পৰীক্ষাত উত্তীৰ্ণ হোৱা প্ৰাৰ্থীক যোগ্য বুলি ধৰা হয়।

Scanned by CamScanner

(২) **অভিজ্ঞতা ঃ** প্ৰকৃত কাৰ্য সম্পাদনৰ দ্বাৰা অৰ্জন কৰা জ্ঞানেই হৈছে অভিজ্ঞতা। এই অভিজ্ঞতাক এক প্ৰকাৰৰ প্ৰশিক্ষণ বুলি ক'ব পাৰি। কোনো সেৱাত খালী পদ পূৰণৰ বাবে অভিজ্ঞতাক অতিৰিক্ত অৰ্হতা হিচাপে ধৰা হয় আৰু অভিজ্ঞতাই ব্যক্তিৰ নিযুক্তিৰ বাবে অগ্ৰাধিকাৰ প্ৰদান কৰে। অভিজ্ঞ ব্যক্তিয়ে প্ৰশাসনৰ ক্ষেত্ৰত প্ৰাথমিক জ্ঞানৰ বাবে প্ৰশিক্ষণ ল'ব নালাগে। কিন্তু অনভিজ্ঞ প্ৰাৰ্থীৰ বাবে এনে প্ৰশিক্ষণ অত্যন্ত প্ৰয়োজনীয় হোৱা দেখা যায়। অৱশ্যে প্ৰত্যক্ষ প্ৰবেশনৰ বাবে অভিজ্ঞতাৰ ওপৰত অধিক গুৰুত্ব আৰোপ কৰিব পৰা নাযায়।

(৩) **কাৰিকৰী জ্ঞান ঃ** কাৰিকৰী সেৱাৰ বাবে সেই সম্বন্ধীয় জ্ঞান প্ৰাৰ্থীৰ থকা উচিত। বিশেষকৈ জনস্বাস্থ্য, আইন আদি বিভাগসমূহত নিযুক্তি পাবৰ বাবে প্ৰাৰ্থীৰ কাৰিকৰী জ্ঞান থকাৰ প্ৰয়োজন।

(৪) **ব্যক্তিগত অৰ্হতা ঃ** লোক প্ৰশাসনত নিযুক্তিৰ বাবে প্ৰাৰ্থীসকলৰ কিছুমান ব্যক্তিগত অৰ্হতাৰ ওপৰত গুৰুত্ব আৰোপ কৰা হয়, যেনে—নৈতিকতা, স্বভাৱ, সামৰ্থ্য, শাৰীৰিক শক্তি, বুদ্ধি, দায়িত্বশীলতা, বিশ্বাসযোগ্যতা ইত্যাদি।

Scanned by CamScanner